কমাৰ লগে লগে লাভজনিত কাৰণত মুদ্ৰাৰ চাহিদা OB লৈ বৃদ্ধি হৈছে।

**3. ফ্ৰিড্‌মেনৰ মুদ্ৰা চাহিদাৰ সম্পদ তত্ত্ব** (Friedman's wealth theory of demand for money) ঃ

ফ্ৰিড্‌মেনৰ মুদ্ৰা চাহিদা তত্ত্ব আংশিক ভাৱে কেইনছীয় আৰু আংশিক ভাৱে অনা কেইনছীয়। ইয়াক অনা কেইনছীয় বুলি কোৱা হয়, কাৰণ ফ্ৰিড্‌মেনে কেইনছ্‌ৰ মুদ্ৰা নগদ জমা ৰখাৰ বিভিন্ন অভিপ্ৰায় সমূহ অৱমাণনা কৰিছে। ইয়াক কেইনছীয় বুলি কোৱা হয়, কাৰণ ফ্ৰিড্‌মেনে কেইনছ্‌ৰ লাভজনিত মুদ্ৰাৰ চাহিদা বিশ্লেষণক সাধাৰণীকৰণৰ জৰিয়তে মুদ্ৰাৰ চাহিদাক মূলধন বা সম্পদ তত্ত্বৰ এক অংশ হিচাপে বিবেচনা কৰিছে।

ফ্ৰিড্‌মেনৰ মুদ্ৰা চাহিদা তত্ত্ব এক সম্পদ চাহিদা তত্ত্ব। এই মতামত অনুসৰি মুদ্ৰা এক দীৰ্ঘস্থায়ী ভোগ্য সামগ্ৰী, যাক ই আগবঢ়োৱা বিভিন্ন সেৱা কাৰ্য্য বাবে ৰখা হয়। মুদ্ৰাই ইয়াৰ জমাৰ আনুপাতিক বিভিন্ন সেৱা কাৰ্য্যৰ প্ৰৱাহ সৃষ্টি কৰে। মুদ্ৰা এক প্ৰকাৰৰ মূলধন দ্ৰব্য, যাক ই আগবঢ়োৱা বিভিন্ন সেৱাৰ কাৰণে ৰখা হয়। গতিকে মুদ্ৰাক এক সম্পদ বা মূলধন হিচাপে চাহিদা কৰা হয় আৰু মুদ্ৰাৰ চাহিদা তত্ত্ব, মূলধন আৰু সম্পদ তত্ত্বৰ এক অংশ। ফ্ৰিড্‌মেনে মুদ্ৰাৰ চাহিদা বিশেষ অভিপ্ৰায়ৰ দৃষ্টিভংগীৰে বিবেচনা কৰা বিপৰীতে ইয়াক সামগ্ৰীকভাৱে বিবেচনা কৰিছে। কেইনছে উল্লেখ কৰা দৰে ফ্ৰিড্‌মেনে লেনদেন অভিপ্ৰায় আৰু মুদ্ৰাৰ লাভজনিত অভিপ্ৰায়ৰ মাজত পাৰ্থক্য উল্লেখ কৰা নাই।

মুদ্ৰাৰ ক্ষেত্ৰত ফ্ৰিড্‌মেনে সাধাৰণ চাহিদা বিশ্লেষণ প্ৰয়োগ কৰিছে। সম্পদৰ চূড়ান্ত গৰাকী হ'ল গৃহস্থী। তেওঁলোকে মুদ্ৰাক এক দীৰ্ঘস্থায়ী ভোগ্য সামগ্ৰী হিচাপে গণ্য কৰে। ফ্ৰিড্‌মেনে ধৰি লৈছে যে, মুদ্ৰা ক্ৰমহ্ৰাসমান প্ৰান্তিক বিকল্প হাৰ (MRS) বিধিৰ অধীনত। মুদ্ৰাৰ চাহিদা বিশ্লেষণত ফ্ৰিড্‌মেনে সম্পদৰ এক বহল দৃষ্টিভংগী ব্যৱহাৰ কৰিছে। তেওঁৰ মতে, যিকোনো বস্তুৱেই সম্পদ হ'ব পাৰে যদিহে সেই দ্ৰব্য সমূহে আয় প্ৰৱাহ সৃষ্টি কৰিব পাৰে আৰু এনেদৰে সকলোবিলাক প্ৰচলিত সা-সম্পত্তিয়েই সম্পদ। ফ্ৰিড্‌মেনে পাঁচ প্ৰকাৰৰ বিভিন্ন সা-সম্পত্তিৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল, মুদ্ৰা, বণ্ড, ব্যৱসায়িক প্ৰতিষ্ঠানৰ অংশ, বস্তুগত দ্ৰব্য আৰু মানৱ সম্পদ।

**4. মুদ্ৰা চাহিদাৰ নিৰ্দ্ধাৰক সমূহ** (Determinants of demand for money) ঃ

ব্যাপক অৰ্থত ক'বলৈ গ'লে মুদ্ৰাৰ চাহিদা মূলত তিনিটা পৃথক উপাদানৰ ওপৰত নিৰ্ভৰ কৰে। সেই উপাদান সমূহ হ'ল—

(i) বিভিন্ন সা-সম্পত্তিৰ আকাৰত ৰখা মুঠ সম্পদৰ পৰিমাণ।

(ii) এক প্ৰকাৰৰ সম্পদৰ দৰ আৰু উৎপাদনৰ তুলনাত অন্য এক প্ৰকাৰৰ সম্পদৰ দৰ আৰু উৎপাদন আৰু

(iii) সম্পদৰ গৰাকীৰ ৰুচি আৰু অগ্ৰাধিকাৰ। আকৌ নগদ মুদ্ৰা ৰখাৰ ব্যয় প্ৰভাৱিত কৰে, (a) সুদৰ হাৰ আৰু (b) প্ৰত্যাশিত দৰবস্তুৰ পৰিবৰ্তনৰ হাৰে।

ফ্ৰিড্‌মেনে তেওঁৰ চাহিদা ফলন (Function)ত আয় সৃষ্টিকাৰী বিভিন্ন প্ৰকাৰৰ সম্পদ সমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

(i) মুঠ সম্পদ (Total wealth) সম্পদৰ চূড়ান্ত গৰাকী সকলৰ কাৰণে ভোক্তাৰ চাহিদা তত্ত্বত মুঠ সম্পদ আৰু বাজেট সীমবদ্ধতাৰ মাজত সাদৃশ্য আছে। মুঠ সম্পদক বিভিন্ন সা-সম্পত্তিৰ আকাৰত ভাগ কৰা হয়। মুঠ সম্পদ হিচাপৰ অসুবিধাৰ কাৰণে ফ্ৰিড্‌মেনে ইয়াৰ বিকল্প হিচাপে তেওঁৰ মুদ্ৰা চাহিদা ফলনত স্থায়ী আয়

(V) ধাৰণাৰ প্ৰয়োগ কৰিছে। স্থায়ী আয় হ'ল মুঠ সম্পদৰ প্ৰত্যাশিত আয়।

(ii) **মানৱ আৰু অমানৱ সম্পদ** (Human and Non-human Wealth) ঃ মুঠ সম্পদ গঠিত হয় মানৱ আৰু অমানৱ সম্পদৰ জৰিয়তে। কিন্তু মানৱ সম্পদ অমানৱ সম্পদলৈ ৰূপান্তৰৰ ক্ষেত্ৰত কিছুমান আইনগত আৰু আনুষ্ঠানিক সীমাবদ্ধতা আছে। গতিকে ফ্ৰিড্‌মেনে তেওঁৰ চাহিদা ফলনত অমানৱ সম্পদ আৰু মানৱ সম্পদৰ অনুপাত (w) ৰ এক সূচকৰ প্ৰয়োগ কৰিছে।

(iii) **মুদ্ৰা** (Money) ঃ মুদ্ৰাৰ নুন্যতম প্ৰতিদানৰ হাৰ শূণ্য, ধনাত্মক বা ঋণাত্মক হ'ব পাৰে। কিন্তু মুদ্ৰাক বিভিন্ন সেৱাৰ প্ৰতিদানৰ কাৰণে চাহিদা কৰা হয়। গতিকে মুদ্ৰাই দ্ৰব্য সামগ্ৰী আৰু বিভিন্ন সেৱা কাৰ্য্যক নিয়ন্ত্ৰণ কৰে। গতিকে মুদ্ৰাৰ প্ৰকৃত প্ৰতিদান নিৰ্ভৰ কৰে দৰস্তৰৰ ওপৰত কাৰণ দৰস্তৰে মুদ্ৰাৰ জৰিয়তে কিনিব পৰা দ্ৰব্য আৰু সেৱাৰ সামৰ্থ্যক বুজায়।

(iv) **বণ্ড** (Bond) ঃ বণ্ড হ'ল এক প্ৰকাৰৰ উত্থান পতন আমানত (Security), যিয়ে আয় প্ৰৱাহৰ সৃষ্টি কৰে আৰু নুন্যতম হিচাপত যাৰ মূল্য স্থিৰ। গতিকে বণ্ডৰ প্ৰতিদান হ'ল, কুপন মূল্য আৰু প্ৰত্যাশিত মূলধন লাভাংশৰ সমষ্টি।

(v) ব্যৱসায়িক প্ৰতিষ্ঠানৰ সাধাৰণ অংশ (Equity) ঃ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সাধাৰণ অংশ আৰু বণ্ড প্ৰায়ে একে। ব্যৱসায়িক প্ৰতিষ্ঠানৰ সাধাৰণ অংশৰ প্ৰতিদান ($r_e$), তিনিটা উপাদানৰ দ্বাৰা গঠিত, (a) ইয়াৰ কুপনৰ আয়, (b) সুদৰ হাৰ পৰিবৰ্তনৰ ফলত হোৱা লাভ বা লোকচান আৰু (c) যিকোনো প্ৰত্যাশিত সাধাৰণ দৰস্তৰৰ পৰিবৰ্তন।

(vi) দ্ৰব্য-সামগ্ৰী (Commodites) ঃ বস্তুগত দ্ৰব্য-সামগ্ৰীৰ সম্পদৰ গৰাকীয়ে বস্তুৰ হিচাপত আয় আহৰণ কৰে, যাক সুদৰ হাৰৰ জৰিয়তে জোখ ল'ব নোৱাৰি। অৱশ্যে, তেওঁলোকৰ প্ৰকৃত আয়ৰ ওপৰত দৰস্তৰ পৰিবৰ্তনে প্ৰভাৱ পেলায়। ফ্ৰিড্‌মেনে, দ্ৰব্য-সামগ্ৰীৰ ক্ষেত্ৰত নুন্যতম আয় ($r_e$), প্ৰতিটো সময়ত প্ৰত্যাশিত দৰ পৰিবৰ্তনৰ হাৰৰ দ্বাৰা গঠিত বুলি উল্লেখ কৰিছে।

(vii) মানৱ সম্পদ (Human capital) ঃ দাসত্ব প্ৰথা (Slavery) ৰ অনুপস্থিতিত, মানৱ সম্পদৰ কোনো বজাৰ মূল্য নাই আৰু এনেদৰে মানৱ সম্পদৰ প্ৰতিদানৰ হাৰ প্ৰত্যক্ষভাৱে নিৰ্দ্ধাৰণ কৰিব নোৱাৰি।

(viii) অন্যান্য সূচক সমূহ (Other variables) ঃ আয়ৰ বাদে যি সমূহ প্ৰত্যাশিত সূচকে মুদ্ৰাৰ কাৰণে ৰুচি আৰু অগ্ৰাধিকাৰৰ ওপৰত প্ৰভাৱ পেলাব পাৰে সেইসমূহক ফ্ৰিড্‌মেনে u দ্বাৰা চিহ্নিত কৰিছে।

ওপৰত উল্লেখ কৰা আলোচনাৰ পৰা ফ্ৰিড্‌মেনৰ মুদ্ৰা চাহিদা ফলন (Function) টোৰ ৰূপ হ'ব—

$M = f(Y, w, P, rb, re, rc, u)$ ................ (i)

য'ত M = সৰ্ব্বমুঠ মুদ্ৰাৰ চাহিদা

Y= মুঠ সম্পদৰ পৰিমাণ

W = মানৱ আৰু অমানৱ মূলধনৰ অনুপাত

P= সাধাৰণ দৰস্তৰ

rb = বস্তুৰ পৰা লাভ কৰা আয়

re = ব্যৱসায়িক প্ৰতিষ্ঠানৰ সাধাৰণ অংশৰ পৰা লাভ কৰা আয়।

rc = দ্ৰব্যদৰৰ প্ৰত্যাশিত পৰিবৰ্তন।

u = ৰুচি আৰু অগ্ৰাধিকাৰৰ ওপৰত প্ৰভাৱ পেলোৱা সূচক সমূহ।

উল্লেখিত সমীকৰণটোত মুদ্ৰাৰ চাহিদাৰ ওপৰত সামানুপাতিক হাৰত প্ৰভাৱ পেলোৱা কাৰক দুটা হ'ল, মুঠ সম্পদ বা আয় আৰু মূল্যস্তৰ। আয় বা মূল্যস্তৰ যি হাৰত পৰিবৰ্তন হয় মুদ্ৰাৰ চাহিদাও একে হাৰত পৰিবৰ্তন হয়। ধৰাহ'ল আয় আৰু মূল্যস্তৰৰ পৰিবৰ্তনৰ হাৰ $\lambda$। এই ক্ষেত্ৰত মুদ্ৰা চাহিদাৰ ফলনটো হ'ব,

$\lambda M = f(\lambda Y, w, \lambda P, rb, re, rc, u)$ ..................... (ii)

যদি, $\lambda = 1/P$

তেতিয়া, $M/P = f(Y/P, w, rb, rc, u)$ ........... (iii)

ইয়াত (iii) নং সমীকৰণে প্ৰকৃত ৰূপত মুদ্ৰাৰ চাহিদা প্ৰকাশ কৰিছে। ইয়াত দেখুওৱা হৈছে যে আয় বৃদ্ধি পালে নগদ সংৰক্ষিত মুদ্ৰাৰ পৰিমাণ বৃদ্ধি হয়। সেয়েহে স্থায়ী ভোগ্য সামগ্ৰীৰ দৰে মুদ্ৰা এক প্ৰকাৰৰ বিলাস সামগ্ৰী। জীৱন ধাৰণৰ মান উন্নত হোৱাৰ লগে লগে বিলাস সামগ্ৰীৰ ভোগ বঢ়াৰ দৰে সংৰক্ষিত মুদ্ৰাৰ পৰিমানো বাঢ়ে। অৱশ্যে সংৰক্ষিত এই মুদ্ৰাৰ পৰিমাণ নিৰ্ভৰ কৰে স্থায়ী আয়ৰ ওপৰত, প্ৰচলিত বা বৰ্তমানৰ আয়ৰ ওপৰত নহয়।

বিভিন্ন সময়ৰ পৰীক্ষালব্ধ আৰু ব্যৱহাৰিক অধ্যয়ন সমূহৰ পৰা মুদ্ৰা চাহিদা ফলন সম্পৰ্কে তলৰ সিদ্ধান্ত সমূহত উপনীত হ'ব পাৰি।

(i) মুদ্ৰাৰ চাহিদা কম বেছি পৰিমাণে স্থিৰে থাকে।

(ii) মুদ্ৰাৰ চাহিদাৰ ওপৰত সুদৰ হাৰৰ প্ৰভাৱ তাৎপৰ্যপূৰ্ণ হ'লেও কিন্তু কম আৰু স্থিৰ।

(iii) অৰ্থনৈতিক সংকোচনৰ সময়ত তাৰল্য ফান্দ পৰিস্থিতি সৃষ্টি হোৱাৰ অভিজ্ঞতা এতিয়ালৈকে হোৱা নাই।

(iv) দীৰ্ঘম্যাদী বস্তুৰ ক্ষেত্ৰত লোকচানৰ আশংকাই মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলোৱা পৰিস্থিতি সৃষ্টি হোৱা নাই।

(v) মুদ্ৰাৰ চাহিদা প্ৰভাৱিত হয় স্থায়ী আয়ৰ দ্বাৰা, বৰ্তমানৰ আয়ৰ দ্বাৰা নহয়।

(vi) মূল্যস্তৰ পৰিবৰ্তনে সামানুপাতিক হাৰত মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলায়।

**5. কেইনছৰ তাৰল্যপ্ৰীতি ফান্দ আৰু ইয়াৰ প্ৰয়োগিক দিশ** (The keynesian Liquidity trap and its implications) ঃ

মুদ্ৰাৰ ব্যৱসায়িক লাভজনিত চাহিদা ৰেখা ($L_2$) এটা উল্লেখযোগ্য বৈশিষ্ট হ'ল যদি প্ৰচলিত সুদৰ হাৰ অতি নিম্ন পৰ্য্যায়লৈ হ্ৰাস পায় (ধৰা হ'ল (Oi*), তেতিয়া $L_2$ ৰেখা সম্পূৰ্ণ স্থিতিস্থাপক আকৃতিৰ হয়। ইয়াৰ তাৎপৰ্য্য হ'ল এনে অতি নিম্ন সুদৰ হাৰত, মানুহৰ ধন ধাৰলৈ দিয়াৰ আসক্তি নাইকিয়া হয় আৰু সমুদায় মুদ্ৰা নিজৰ হাতত ৰাখে ( চিত্ৰ 3.G)